# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-Aug-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***
### Headlines
**--------------------**

তিনিচুকীয়া জিলা প্ৰশাসনে ২০২৪ বৰ্ষত লাভ কৰা প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসনৰ উৎকৰ্ষতা বঁটাৰ ধনেৰে জিলাখনৰ এটা বহুমুখী শিকন কক্ষ স্থাপন কৰিছে। ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষক গ্ৰন্থবৰ্ষ হিচাপে উদযাপন কৰিবলৈ লোৱা সিদ্ধান্তৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলা পুথিভঁৰালত স্থাপন কৰা এই অত্যাধুনিক শিকন কক্ষত ভিডিঅ' কনফাৰেন্সিং, গ্ৰন্থ অধ্যয়ন, আলোচনা কক্ষ আদি সুবিধা ৰখা হৈছে। জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি এই কক্ষটি উদ্বোধন কৰি কয়, যে যুগৰ পৰিৰ্বতন আৰু প্ৰযুক্তিৰ বিকাশৰ সৈতে খাপ খোৱাকৈ গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত নতুনত্ব আনি যুৱ প্ৰজন্মক আকৰ্ষিত কৰিব পৰাকৈ এই কক্ষ গঢ়ি তোলা হৈছে। উল্লেখযোগ্য যে, আয়ুক্তগৰাকীয়ে ইয়াৰ পূৰ্বেও তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ডি চি ভিষ্টা নামৰ এখন শিক্ষামূলক উদ্যান, নিচামুক্ত কেন্দ্ৰ স্থাপন, দিব্যংগসকলৰ বাবে স্বাস্থ্য পৰীক্ষা আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজিৰ অনুষ্ঠানত তিনিচুকীয়াৰ অতিৰিক্ত জিলা আয়ুক্ত, জ্যেষ্ঠ বিষয়া, সাংবাদিক আদিকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যৰ প্ৰতিখন চৰকাৰী চিকিৎসালয়ত এতিয়াৰে পৰা ১০০ শতাংশ বিনামূলীয়া ঔষধ উপলব্ধ হ'ব বুলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহালে প্ৰকাশ কৰিছে। আজি দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এখন সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৯৯ শতাংশ চিকিৎলায়ত সম্প্ৰতি বিনামূলীয়া ঔষধ উপলব্ধ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণে এই ঔষধ লাভ নকৰিলে ৯৮৬৪৫-৪১৪৩০ নম্বৰত হোৱাটছএপযোগে অভিযোগ দিব পাৰিব। ৰাজ্যৰ ৪ হাজাৰ ৮৭৩টা আয়ুষ্মান আৰোগ্য মন্দিৰত ৩০বিধ অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এহেজাৰ ১৮খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১২৫ বিধ অত্যাৱশ্যকীয় ঔষধ উপলব্ধ হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তদুপৰি মহকুমা জিলা আৰু সদৰ চিকিৎসা কেন্দ্ৰসমূহতো অত্যাৱশ্যকীয় ঔষধ মজুত ৰখা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সংবাদ মেলত উল্লেখ কৰে। চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত ৩৫২ বিধ অত্যাৱশ্যকীয় ঔষধ আৰু ৬৯বিধ বিশেষ ঔষধ ৰখা হ'ব। তদুপৰি চিকিৎসকসকলে জেনেৰিক ঔষধহে নিদানপত্ৰত লিখাতো নিশ্চিত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিখন চিকিৎসালয়ৰ ফাৰ্মাচীৰ সন্মুখত ঔষধৰ তালিকা লগোৱা থাকিব বুলিও তেওঁ উল্লেখ কৰে।

ooooo

গোলাঘাট জিলাৰ উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে চলাই থকা উচ্ছেদ অভিযান সাময়িকভাৱে স্থগিত ৰখা হৈছিল যদিও আজি পুনৰ এই উচ্ছেদ অভিযান চলোৱা হয়। প্ৰশাসন আৰু বন বিভাগে আজি ৰেংমা বনাঞ্চলৰ ১ নম্বৰ মধুপুৰ, ৰাণানগৰ আৰু হাতীডুবি অঞ্চলত তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান চলায়। আজিৰ অভিযান কালত ২৫০টা বাসগৃহ উচ্ছেদ কৰা হয়। উল্লেখযোগ্য যে উৰিয়ামঘাটত চৰকাৰে উচ্ছেদ অভিযান চলাই এইপৰ্যন্ত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰিছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে।

ooooo

শিলচৰৰ অসম বিশ্ববিদ্যালয় পদাৰ্থ বিজ্ঞানৰ প্ৰাক্তন গৱেষিকা ড০ বেগম আবিদা চৌধুৰী দক্ষিণ মেৰুৰ এণ্টাৰ্কটিকা অভিযানৰ বাবে নিৰ্বাচিত হৈছে। বিশ্বৰ আটাইতকৈ প্ৰতিকূল বতৰৰ জলবায়ু পৰিৱৰ্তন বিষয়ত গৱেষণাৰ বাবে যাৱলগীয়া দলটোৰ অংশ হিচাপে যাবলৈ ওলোৱা ড০ চৌধুৰীয়ে বৰ্তমান উত্তৰাখণ্ডৰ আউলিৰ ভাৰত-তিববত সীমান্ত আৰক্ষীৰ পৰ্বতাৰোহণ আৰু স্কিইং স্কুলত প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছে। ভাৰতৰ মেৰু গৱেষণাত আৰু জলবায়ু পৰিৱৰ্তন তথা পৰিৱেশ তন্ত্ৰৰ বিশ্বব্যাপি প্ৰভাবৰ ক্ষেত্ৰত এই গৱেষণা অতি গুৰুত্বপূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

ooooo

যোৰহাট জিলাৰ নিমাতিঘাটত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। খহনীয়াৰ কবলত পৰি যোৰহাটকে ধৰি বিস্তীৰ্ণ অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। খহনীয়াৰ ফলত নিমাতি হাটীশাল শৈলবান্ধৰ এটা বৃহৎ অংশ খহি যায়। খহনীয়াৰ ফলত ঐতিহাসিক ক'কিলাপথাৰো নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। মাজুলীৰ বেচামৰা দিশৰ পৰা নদীখনে প্ৰত্যক্ষভাৱে দক্ষিণপাৰত খুন্দা মৰাৰ ফলত নিমাতি হাটীশালৰ দুই নম্বৰ শৈলবান্ধ আৰু এক নম্বৰ বুলহেডৰ মাজৰ ভিতৰ ক'কিলা অঞ্চলত খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। জলসম্পদ বিভাগে খহনীয়া ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে যদিও সমস্যাৰ সমাধান নোহোৱাত জনসাধাৰণেত উদ্বিগ্নতা প্ৰকাশ কৰিছে।

ooooo

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অহা ২২ ছেপ্তেম্বৰ সোমবাৰে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আয়োগে অহা ২ ছেপ্তেম্বৰ তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰিছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৬ ছেপ্তেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত